**Signature and Name of Invigilator**

1. (Signature) ____________________

   (Name) ____________________

2. (Signature) ____________________

   (Name) ____________________

**Answer Sheet No. :** ..............................................

(To be filled by the Candidate)

**Roll No.** | | | | | | | |

(In figures as per admission card)

**Roll No.** ____________________

(In words)

**Test Booklet No.**

**D—3607**

**PAPER—II**

# ASSAMESE

**Time : 1¼ hours]** **[Maximum Marks : 100**

Number of Pages in this Booklet : **16** Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the question booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Serial No. of the booklet should be entered in the Answer-sheets and the Serial No. of Answer Sheet should be entered on this Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the oval as indicated below on the correct response against each item.

   **Example :** (A) (B) ⬬ (D)

   where (C) is the correct response.
5. Your responses to the items are to be indicated in the Answer Sheet given **inside the Paper I booklet only**. If you mark at any place other than in the ovals in the Answer Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your name or put any mark on any part of the test booklet, except for the space allotted for the relevant entries, which may disclose your identity, you will render yourself liable to disqualification.
9. You have to return the test question booklet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is NO negative marking.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी। पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें। खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं। दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें। इसके लिए आपको पाँच मिनट दिये जायेंगे। उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा।**
   (iii) इस जाँच के बाद प्रश्न-पुस्तिका की क्रम संख्या उत्तर-पत्रक पर अंकित करें और उत्तर-पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं। आपको सही उत्तर के दीर्घवृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है।

   **उदाहरण :** (A) (B) ⬬ (D)

   जबकि (C) सही उत्तर है।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये** उत्तर-पत्रक पर ही अंकित करने हैं। यदि आप उत्तर पत्रक पर दिये गये दीर्घवृत्त के अलावा किसी अन्य स्थान पर उत्तर चिन्हांकित करते है, तो उसका मूल्यांकन नहीं होगा।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें।
8. यदि आप उत्तर-पुस्तिका पर अपना नाम या ऐसा कोई भी निशान जिससे आपकी पहचान हो सके, किसी भी भाग पर दर्शाते या अंकित करते हैं तो परीक्षा के लिये अयोग्य घोषित कर दिये जायेंगे।
9. आपको परीक्षा समाप्त होने पर उत्तर-पुस्तिका निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद अपने साथ परीक्षा भवन से बाहर न लेकर जायें।
10. **केवल नीले/काले बाल प्वाईंट पैन का ही इस्तेमाल करें।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है।**
12. **गलत उत्तर के लिए अंक नहीं काटे जायेंगे।**

# ASSAMESE

# অসমীয়া

## PAPER – II

## প্ৰশ্নকাকত – II

**Note :** This paper contains **fifty** (50) objective-type questions, each question carrying **two** (2) marks. Attempt **all** of them.

টোকা ঃ **এই প্ৰশ্ন-কাকতত বহু-বিকল্পীয় ৫০ (পঞ্চাছ)টা প্ৰশ্ন আছে। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক ২ (দুই)। সকলো প্ৰশ্নৰ উত্তৰ কৰিবা।**

**তলৰ 1 ৰ পৰা 15 লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত A, B, C, D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে। তাৰেপৰা শুদ্ধ উত্তৰটো বাচি উলিওৱা।**

1. **মাধৱ কন্দলিৰ পৃষ্ঠপোষক ৰজা—**

   (A) নৰনাৰায়ণ (B) দুৰ্লভনাৰায়ণ (C) মহামাণিক্য (D) ইন্দ্ৰনাৰায়ণ

2. **‘ভটিমা’ শব্দটোৰ অৰ্থ—**

   (A) কাহিনীগীত (B) বিলাপৰ গীত (C) স্তুতি (D) লোক গীত

3. **পীতাম্বৰ কবিৰ ‘উষা-পৰিণয়’ কাব্যৰ মূল—**

   (A) মহাভাৰত (B) হৰিবংশ (C) ৰামায়ণ (D) কুমৰ হৰণ কাব্য

4. **প্ৰথম অসমীয়া অমিতাক্ষৰ ছন্দৰ কাব্য—**

   (A) মেঘনাদ বধ (B) অভিমন্যু বধ
   (C) বৃত্ৰাসুৰ বধ (D) শকুনিৰ প্ৰতিশোধ

5. **‘কাৰবালা’ কাব্যৰ ৰচক**

   (A) ভোলানাথ দাস (B) হিতেশ্বৰ বৰবৰুৱা
   (C) ৰঘুনাথ চৌধাৰী (D) অম্বিকাগিৰী ৰায়চৌধুৰী

6. **মুছলমানসকলৰ এটা উৎসৱৰ নাম—**

   (A) ৰোজা (B) ফাতেহা-ই-দোৱাজ দহম
   (C) কোৰাণ (D) জিকিৰ

7. **অলংকাৰস্বৰূপে ব্যৱহৃত নোহোৱা এবিধ মণি—**

(A) পোৱাল মণি (B) শিলিখা মণি (C) বৰত মণি (D) কেৰু মণি

8. **অসমীয়া ভাষাৰ উপভাষাৰ গৱেষণাৰ বাবে প্ৰথম ডক্টৰেট উপাধি পোৱা ব্যক্তিগৰাকী—**

(A) প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য (B) উপেন্দ্ৰনাথ গোস্বামী

(C) সত্যেন্দ্ৰনাথ শৰ্মা (D) গোলোকচন্দ্ৰ গোস্বামী

9. **অসমীয়া ভাষাত প্ৰথম চনেট ৰচয়িতা—**

(A) হেমচন্দ্ৰ গোস্বামী (B) ৰঘুনাথ চৌধাৰী

(C) হিতেশ্বৰ বৰবৰুৱা (D) ভোলানাথ দাস

10. **'ভাঙনি কোঁৱৰ' আখ্যা লাভ কৰা কবিজন—**

(A) আনন্দচন্দ্ৰ আগৰৱালা (B) আনন্দৰাম বৰুৱা

(C) আনন্দিৰাম দাস (D) আনন্দচন্দ্ৰ বৰুৱা

11. **বংকিমচন্দ্ৰৰ দ্বাৰা অনুপ্ৰাণিত অসমীয়া ঔপন্যাসিক—**

(A) পদ্মনাথ গোহাঞি বৰুৱা (B) ৰজনীকান্ত বৰদলৈ

(C) শৰৎ চন্দ্ৰ গোস্বামী (D) দৈৱচন্দ্ৰ তালুকদাৰ

12. **শ্বেক্সপীয়েৰৰ ফলষ্টাফৰ আৰ্হিৰ অসমীয়া নাটকৰ চৰিত্ৰ—**

(A) 'গাঁওবুঢ়া' নাটকৰ গাঁওবুঢ়া (B) 'মহৰি' নাটকৰ মহৰি

(C) 'কাৰেঙৰ লিগিৰী' নাটকৰ বপুৰা (D) 'চক্ৰধ্বজ সিংহ' নাটকৰ গজপুৰীয়া

13. **বামনৰ মতে 'কাব্য-ৰীতি'ৰ প্ৰকাৰ—**

(A) দুটা (B) তিনিটা (C) চাৰিটা (D) পাঁচোটা

14. **'জয়ন্তী' আলোচনীৰ প্ৰথম প্ৰকাশৰ চন—**

(A) **১৯৩৯** (B) **১৮৮৯** (C) **১৮৮৫** (D) **১৯০৯**

15. ‘উপলা নদীৰ দৰে’ গ্ৰন্থৰ ৰচক—

(A) নৱকান্ত বৰুৱা (B) মহেন্দ্ৰ বৰা (C) লক্ষ্মীনন্দন বৰা (D) নগেন শইকীয়া

16. তাঁতশালত ব্যৱহৃত এবিধ সঁজুলিৰ নাম হ’ল—

(A) যুঁৰলি (B) বাঢ়নী (C) গৰকা (D) মৈ

17. ‘সাতসৰী’ পিন্ধা শৰীৰৰ অংগ হ’ল—

(A) কপাল (B) কঁকাল (C) ডিঙি (D) বাহু

18. ‘গুণমালা’ পুথিৰ ছন্দৰ নাম—

(A) ছবি (B) হংসমালা (C) কুসুমমালা (D) দুলড়ী

19. ‘একোৰস ঃ কৰুণএৰ’ বুলি উক্তি কৰা কবিজন আছিল—

(A) কালিদাস (B) ভৱভূতি (C) মাঘ (D) অশ্বঘোষ

20. শকুন্তলা নাটকৰ উচ্চ প্ৰশংসা কৰা প্ৰথম কবি আৰু দাৰ্শনিকগৰাকী আছিল—

(A) উইলিয়াম জোন্‌ছ (B) গ্যেটে (C) হামবল্ড (D) মেক্সমুলাৰ

**তলৰ 21 ৰ পৰা 30 লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি A, B, C, D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে। তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰাঁ।**

21. প্ৰাক্‌শঙ্কৰ যুগৰ অসমীয়া সাহিত্য চৰ্চাৰ ক্ষেত্ৰত জনজাতীয় ৰজাসকল প্ৰধান পৃষ্ঠপোষক আছিল, কাৰণ—

(A) জনজাতীয় ভাষাৰ লিপি নাছিল।

(B) অসমীয়া ভাষাৰ বাহিৰে আন উন্নত ভাষা নাছিল।

(C) জনজাতীয় লোকসকল ভাষিক সংখ্যা লঘু আছিল।

(D) জনজাতীয় সকলৰ মাজত শিক্ষিতৰ সংখ্যা কম আছিল।

22. **'হস্তীৰ দেখিয়া লাদ শশা যেন ফাড়ে মাৰ্গ**
**মোৰ ভৈল তেহ্নয় অৱস্থা'— শঙ্কৰদেৱে এনেদৰে কোৱাৰ কাৰণ কি ?**
(A) মাধৱকন্দলি পূৰ্বকালৰ কবি আছিল।
(B) মাধৱকন্দলি বিদগ্ধ সংস্কৃত পণ্ডিত আছিল।
(C) শঙ্কৰদেৱে মাধৱকন্দলিৰ কবি-প্ৰতিভাৰ তুলনাত নিজৰ প্ৰতিভাক ক্ষুদ্ৰজ্ঞান কৰিছিল।
(D) মাধৱকন্দলিৰ অনুকৰণত অনুবাদ কৰ্মত হাত দিছিল।

23. **উপন্যাসক 'পকেট থিয়েটাৰ' আখ্যা দিয়া হয়, কিয় ?**
(A) উপন্যাসত একোটা কাহিনী থাকে।
(B) উপন্যাসত নাটকৰ সকলো উপাদান বৰ্ণিত ৰূপত থাকে।
(C) উপন্যাসত নাটকৰ দৰে একোটা কাহিনী থাকে।
(D) উপন্যাসত চৰিত্ৰই সংঘটন কৰা ঘটনাৰ চিত্ৰণ থাকে।

24. **উইলিয়াম ৰবিনছনে 'A Grammar of the Assamese Language' পুথিখন কি উদ্দেশ্যেৰে প্ৰণয়ন কৰিছিল।**
(A) অসমীয়া ভাষাৰ উন্নতি সাধন কৰিবৰ কাৰণে।
(B) অসমীয়া ভাষা ইংৰাজসকলে সহজে শিকিবৰ কাৰণে।
(C) অসমীয়া ভাষা পঢ়াশালিত শিকাবৰ কাৰণে।
(D) অসমীয়া ভাষাৰ লগত বঙলা ভাষাৰ পাৰ্থক্য দেখুৱাবৰ কাৰণে।

25. **অসমীয়া সংস্কৃতিত বাঁহ সংস্কৃতিৰ সমাবেশ ঘটিছে। কাৰণ—**
(A) দ্ৰাবিড় সংস্কৃতিৰ প্ৰভাৱ।
(B) অষ্ট্ৰিক সংস্কৃতিৰ প্ৰভাৱ।
(C) মঙ্গোলীয় সংস্কৃতিৰ প্ৰভাৱ।
(D) টাই সংস্কৃতিৰ প্ৰভাৱ।

26. **'প্ৰিয়তমাৰ চিঠি'ক চনেট আখ্যা দিয়া হয়, কিয় ?**
(A) অষ্টকৰ পাছতেই পৰিপূৰ্ণ যতি পৰিছে।
(B) চৈধ্যটা চৰণ পোৱা যায়।
(C) চৰণবন্ধত দহোটা দল আছে।
(D) প্ৰেট্ৰাকীয় আৰ্হি পোৱা যায়।

**27. 'চমাংকান' উৎসৱৰ তাৎপৰ্য্য কি ?**

(A) শস্য চপোৱা আনন্দমুখৰ অনুষ্ঠান।

(B) পূৰ্বপুৰুষৰ শ্ৰাদ্ধ অনুষ্ঠান।

(C) কৃষি কৰ্মৰ আৰম্ভণিৰ অনুষ্ঠান

(D) বসন্তকালৰ নৱবৰ্ষৰ অনুষ্ঠান।

**28. ঘৰতো নবহে মন সমনীয়া**

**পথাৰতো নবহে মন।**

**কমোৱা তুলাবোৰ যেনেকৈ উৰিছে**

**তেনেকৈ উৰিবৰ মন।।**

**ওপৰৰ বিহুনামটিত ব্যৱহৃত অলঙ্কাৰৰ নাম কি ?**

(A) অনুপ্ৰাস (B) উপমা (C) ৰূপক (D) অতিশয়োক্তি

**29. জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী'ক তেওঁৰ শ্ৰেষ্ঠ নাটক বুলি কোৱা হয়, কিয় ?**

(A) বুদ্ধিদীপ্ত আৰু বলিষ্ঠ সংলাপে নাটকখনৰ সৌন্দৰ্য বঢ়াইছে।

(B) চৰিত্ৰ নিৰ্মাণ কৌশলত চাতুৰ্য পৰিলক্ষিত হয়।

(C) কলা-কৌশল, কাহিনী উপস্থাপন, চৰিত্ৰ সৃষ্টিত নৱোন্মেষ ঘটিছে।

(D) সুন্দৰ কোঁৱৰক প্ৰগতিবাদৰ প্ৰতীকৰূপে সৃষ্টি কৰিছে।

**30. মই দুৰাচাৰ কেৱল তোমাৰ**

**অপৰাধী নাৰায়ণ।**

**ক্ষমিয়েকে হৰি লৈয়ো দাস কৰি**

**পশিলো হেৰা শৰণ।।**

**ওপৰৰ কবিতাৰ স্তৱকটিৰ ছন্দৰ নাম—**

(A) ছবি (B) দুলড়ী (C) কুসুমমালা (D) লেছাড়ি।

**তলৰ 31 ৰ পৰা 38 লৈ থকা প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা আলোচনী পুথি/ লেখক/নৃগোষ্ঠীসমূহৰ যথাক্ৰমে প্ৰকাশন / জন্ম / প্ৰব্ৰজনৰ সময় অনুসৰি একাদিক্ৰমে তালিকাবদ্ধ কৰি A, B, C, আৰু D চাৰিটা বিকল্প দিয়া হৈছে। তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰাঁ ঃ**

**31.** (i) হেম সৰস্বতী
(ii) ৰাম সৰস্বতী
(iii) কবিৰত্ন সৰস্বতী
(iv) অনন্ত আচাৰ্য্য

(A) (iv), (ii), (iii), (i)
(B) (ii), (i), (iv), (iii)
(C) (i), (iii), (ii), (iv)
(D) (iii), (ii), (iv), (i)

**32.** (i) কথা ৰামায়ণ
(ii) গীতি ৰামায়ণ
(iii) অধ্যাত্ম ৰামায়ণ
(iv) অদ্ভুত ৰামায়ণ

(A) (ii), (i), (iv), (iii)
(B) (ii), (iii), (i), (iv)
(C) (iii), (iv), (ii), (i)
(D) (i), (ii), (iii), (iv)

**33.** (i) আৱাহন
(ii) ৰামধেনু
(iii) অৰুণোদই
(iv) মণিদীপ

(A) (ii), (i), (iv), (iii)
(B) (iii), (i), (ii), (iv)
(C) (i), (iii), (iv), (ii)
(D) (iv), (iii), (i), (ii)

**34.** (i) অসমীয়া ভাষাৰ মৌলিক বিচাৰ

(ii) অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব

(iii) অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ

(iv) অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ

(A) (ii), (iii), (iv), (i)

(B) (iii), (iv), (i), (ii)

(C) (iv), (i), (ii), (iii)

(D) (i), (ii), (iii), (iv)

**35.** (i) পালি

(ii) কামৰূপী প্ৰাকৃত

(iii) অপভ্ৰংশ

(iv) বৈদিক সংস্কৃত

(A) (i), (iii), (ii), (iv)

(B) (iii), (iv), (i), (ii)

(C) (iv), (i), (ii), (iii)

(D) (ii), (iii), (iv), (i)

**36.** (i) কানাই বৰশী বোৱা শিলালিপি

(ii) উমাচল শিলালিপি

(iii) নগাজৰী খনিকৰ গাঁৱৰ লিপি

(iv) বৰগংগা শিলালিপি

(A) (iv), (iii), (i), (ii)

(B) (iii), (ii), (iv), (i)

(C) (i), (ii), (iv), (iii)

(D) (ii), (iv), (iii), (i)

37. (i) সুধৰ্মাৰ উপাখ্যান

(ii) আনন্দৰাম ঢেকীয়ালফুকনৰ জীৱন চৰিত্ৰ

(iii) বাহিৰে ৰং চং ভিতৰি কোৱাভাতুৰী

(iv) বঙাল বঙালনী

(A) (ii), (iii), (iv), (i)

(B) (iv), (ii), (iii), (i)

(C) (iii), (ii), (i), (iv)

(D) (iv), (i), (ii), (iii)

38. (i) গোলাপী জামুৰ লগ্ন

(ii) ৰূপৰ টিলিঙাৰ মাত

(iii) হে অৰণ্য হে মহানগৰ

(iv) সোণালী জাহাজ

(A) (iii), (i), (iv), (ii)

(B) (ii), (i), (iii), (iv)

(C) (i), (ii), (iv), (iii)

(D) (iv), (i), (iii), (ii)

**তলৰ 39 ৰ পৰা 45 লৈ দিয়া প্ৰশ্নসমূহত 'ক' স্তম্ভত থকা বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহক মিলাই A, B, C আৰু D এই চাৰিটা বিকল্প দেখুওৱা হৈছে। তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰাঁ ঃ**

39.

| স্তম্ভ 'ক' | স্তম্ভ 'খ' |
|---|---|
| (i) অসমীয়া সাহিত্যৰ বুৰঞ্জী | 1. সত্যেন্দ্ৰনাথ শৰ্মা |
| (ii) অসমীয়া সাহিত্যৰ ৰূপৰেখা | 2. হেমচন্দ্ৰ গোস্বামী |
| (iii) অসমীয়া সাহিত্যৰ চানেকি | 3. মহেশ্বৰ নেওগ |
| (iv) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত | 4. ডিম্বেশ্বৰ নেওগ |
| | 5. দেবেন্দ্ৰনাথ বেজবৰুৱা |

| | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | 4 | 2 | 3 | 1 |
| (B) | 2 | 3 | 5 | 4 |
| (C) | 5 | 3 | 2 | 1 |
| (D) | 3 | 1 | 4 | 3 |

40. স্তম্ভ 'ক' | স্তম্ভ 'খ'

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| (i) | লক্ষ্মীনাথ বেজবৰুৱা | 1. | অতীতৰ সোঁৱৰণী |
| (ii) | শৈলধৰ ৰাজখোৱা | 2. | মোৰ জীৱন সোঁৱৰণ |
| (iii) | পদ্মনাথ গোহাঞিবৰুৱা | 3. | জীৱন বীণাৰ সুৰ |
| (iv) | বেণুধৰ ৰাজখোৱা | 4. | মোৰ সোঁৱৰণী |
| | | 5. | মোৰ জীৱন দাপোন |

| | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | 1 | 2 | 5 | 3 |
| (B) | 2 | 1 | 4 | 5 |
| (C) | 3 | 4 | 2 | 1 |
| (D) | 5 | 3 | 1 | 4 |

41. স্তম্ভ 'ক' | স্তম্ভ 'খ'

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| (i) | অতিন্দ্ৰিয়বাদী কবি | 1. | কমলাকান্ত ভট্টাচাৰ্য্য |
| (ii) | অগ্নি কবি | 2. | নলিনীবালা দেৱী |
| (iii) | বকুলবনৰ কবি | 3. | গণেশ গগৈ |
| (iv) | পাপৰি কবি | 4. | আনন্দচন্দ্ৰ বৰুৱা |
| | | 5. | অম্বিকাগিৰী ৰায়চৌধুৰী |

| | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | 1 | 2 | 4 | 3 |
| (B) | 5 | 3 | 2 | 1 |
| (C) | 2 | 1 | 4 | 3 |
| (D) | 3 | 2 | 1 | 4 |

42. স্তম্ভ 'ক' স্তম্ভ 'খ'

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| (i) | বীণ বৰাগী | 1. | ৰঘুনাথ চৌধাৰী |
| (ii) | কদম কলি | 2. | হেমচন্দ্ৰ গোস্বামী |
| (iii) | ফুলৰ চাকি | 3. | লক্ষ্মীনাথ বেজবৰুৱা |
| (iv) | নৰমল্লিকা | 4. | শৈলধৰ ৰাজখোৱা |
| | | 5. | চন্দ্ৰকুমাৰ আগৰৱালা |

| | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | 1 | 2 | 4 | 3 |
| (B) | 5 | 3 | 2 | 1 |
| (C) | 4 | 5 | 3 | 2 |
| (D) | 3 | 2 | 1 | 4 |

43. স্তম্ভ 'ক' স্তম্ভ 'খ'

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| (i) | বাণীকান্ত কাকতি | 1. | সোণাৰ চাঁদ |
| (ii) | বিৰিঞ্চি কুমাৰ বৰুৱা | 2. | ভবানন্দ পাঠক |
| (iii) | লক্ষ্মীনাথ বেজবৰুৱা | 3. | বীণা বৰুৱা |
| (iv) | হেমচন্দ্ৰ বৰুৱা | 4. | কাঞ্চন বৰুৱা |
| | | 5. | কৃপাবৰ বৰবৰুৱা |

| | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | 3 | 5 | 1 | 4 |
| (B) | 1 | 2 | 4 | 3 |
| (C) | 2 | 3 | 5 | 1 |
| (D) | 4 | 1 | 3 | 2 |

44. স্তম্ভ 'ক' | স্তম্ভ 'খ'

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (i) | নীলাম্বৰ | 1. | সত্যপ্ৰসাদ বৰুৱা |
| (ii) | মৃণালমাহী | 2. | প্ৰবীন ফুকন |
| (iii) | ভোগজৰা | 3. | গণেশ গগৈ |
| (iv) | শকুনিৰ প্ৰতিশোধ | 4. | ফণী শৰ্মা |
| | | 5. | প্ৰসন্নলাল চৌধুৰী |

| | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | 1 | 3 | 2 | 4 |
| (B) | 3 | 2 | 1 | 5 |
| (C) | 4 | 5 | 3 | 2 |
| (D) | 5 | 1 | 4 | 3 |

45.

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (i) | ৰমন্যাসবাদ | 1. | নগেন শইকীয়া |
| (ii) | নন্দনতত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য | 2. | মহেন্দ্ৰ বৰা |
| (iii) | সাহিত্য-বাদ বৈচিত্ৰ্য | 3. | তীৰ্থনাথ শৰ্মা |
| (iv) | সাহিত্য-বিদ্যা পৰিক্ৰমা | 4. | ত্ৰৈলোক্যনাথ গোস্বামী |
| | | 5. | মনোৰঞ্জন শাস্ত্ৰী |

| | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | 1 | 3 | 5 | 2 |
| (B) | 2 | 4 | 1 | 3 |
| (C) | 3 | 2 | 4 | 1 |
| (D) | 2 | 1 | 3 | 4 |

**তলৰ গদ্য খণ্ড পঢ়ি তাৰ তলত 46 ৰ পৰা 49 লৈ দিয়া প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰটো চিহ্নিত কৰাঁ।**

সংস্কৃতিৰ আন দুটা সামাজিক-মানসিক ভাগৰ প্ৰসংগও উল্লেখযোগ্য। সেই দুটা ভাগ হ'ল লোক-সংস্কৃতি আৰু শিষ্ট সংস্কৃতি। 'লোক শব্দটো এসময়ত অশিক্ষিত, চহা মানুহক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। কোনোৱে কৈছিল প্ৰাচীন পৰম্পৰা অনুগামী সাধাৰণ মানুহ বুলি। লোক শব্দটোৰ অৰ্থ বিচাৰিবলৈ গৈ প্ৰাচীন জনগোষ্ঠী, নিম্নস্তৰৰ জনগোষ্ঠী, কৃষিভিত্তিক গ্ৰাম্য জনগোষ্ঠী, প্ৰাচীন ঐতিহ্যবহনকাৰী জনগোষ্ঠী, আধুনিক সমাজৰ অন্তৰ্ভুক্ত প্ৰাচীন-পন্থী জনগোষ্ঠী, নিৰক্ষৰ জনগোষ্ঠী, অনগ্ৰসৰ জনগোষ্ঠী, বৈদগ্ধ্যহীন অনালোকিত জনগোষ্ঠী, শিল্প-বিপ্লৱৰ আগৰ ঐতিহাসিক স্তৰৰ জনগোষ্ঠী, বিচ্ছিন্ন ক্ষুদ্ৰ জনগোষ্ঠী, ইত্যাদি ব্যাখ্যা দাঙি ধৰা হৈছে। দেখা যায়, এই ব্যাখ্যাৰ লগত গ্ৰামীণ জীৱন, কৃষি, প্ৰাচীনত্ব, পশ্চাৎ অৱস্থা, শিক্ষাহীনতা তথা নিৰক্ষৰতা, অপৰিশীলতা, সামাজিক স্তৰৰ নিম্নতা, অনাধুনিকতা আদি ধাৰণা জড়িত হৈ আছে। সেইবাবে লোকজীৱন বুলি ক'লে চহা, নিৰক্ষৰ সমষ্টিগত জীৱনৰ ই পৰিচয়-জ্ঞাপক হৈ পৰিছিল। কিন্তু লাহে লাহে এনে ব্যাখ্যাৰ পৰিৱৰ্তন সাধিত হৈছে, আৰু ই সংহত সমষ্টিগত জীৱনক বুজোৱা হৈছে। সমষ্টিগত জীৱন-পদ্ধতিয়েই লোক-জীৱনৰ আধাৰ। এতেকে লোকজীৱন হ'ল সামূহিক নিয়ম, বিশ্বাস, সংস্কাৰ আৰু ধ্যান-ধাৰণাৰ অধীন কোনো লোক সমষ্টি। এনে লোকসমষ্টি যে কৃষিভিত্তিক, নিৰক্ষৰ, গ্ৰামীণ হ'ব লাগিব এনে কোনো বাধ্য-বাধকতা থাকিব নোৱাৰে। লোকজীৱনত নিয়ন্ত্ৰণ কৰে সমষ্টিগত জীৱনৰ সামাজিক মন আৰু মূল্যবোধে।

লোক-জীৱনৰ যিবোৰ পৰম্পৰা, সংস্কাৰ, বিশ্বাস এইবিলাকেই লোকমনক যিদৰে নিয়ন্ত্ৰণ কৰে, বস্তুগত সংস্কৃতিৰ ক্ষেত্ৰতো পৰম্পৰাৰ প্ৰভাৱ অলংঘনীয়। লোকশিল্পীসকলৰ কামৰ মাজতো তাৰ প্ৰতিফলন ঘটে। জন্ম, ব্যাধি, বিবাহ, জৰা, মৃত্যু এনে কোনো বিষয়া নাই যাক লৈ নানা বিশ্বাস, সংস্কাৰ, পৰম্পৰা গঢ় লৈ উঠা নাই। জৰা-ফুকা, বেজ-বেজালিৰ পৰা আৰম্ভ কৰি লোক-উৎসৱসমূহলৈকে, পূৰ্বে কৈ অহাৰ দৰে থকা-মেলা, খোৱা-বোৱা, পিন্ধা-উৰা, আচাৰ-ব্যৱহাৰলৈকে এই সকলোবোৰকে লোক-সংস্কৃতিয়ে সামৰি লৈছে। যুক্তিৰ ঠাইত বিশ্বাস, তথ্যৰ ঠাইত আখ্যানে লোক-সংস্কৃতিত সদায় আগস্থান লাভ কৰি আহিছে।

লোক-সংস্কৃতিৰ ৰূপান্তৰিত, বিশেষকৈ বস্তুগত মাধ্যমৰ ক্ষেত্ৰত দুই ধৰণৰ প্ৰভাৱ পৰিলক্ষিত হয়। মধ্যযুগত আমাৰ দেশত আৰু শিল্প-বিপ্লৱৰ আগত পশ্চিমত ধৰ্মৰ ভিত্তিত গঢ় লৈ উঠা শিষ্ট সংস্কৃতিয়ে লোক-সংস্কৃতিক এটা অধিক পৰিশীলিত আৰু মাৰ্জিত ৰূপ দান কৰে। ভাৰতবৰ্ষৰ সমগ্ৰ অঞ্চলত গঢ় লৈ উঠা নৱ-বৈষ্ণৱ আন্দোলনে লোক-সংস্কৃতিৰ বস্তুগত আৰু মনোগত দুয়োটা দিশকে প্ৰভাৱিত কৰে। অসমীয়া লোক-সংস্কৃতিলৈ মন কৰিলেই এই অমোঘ প্ৰভাৱৰ কথা সহজে অনুভৱ কৰিব পাৰি।

অসমৰ লোক-সংস্কৃতিৰ ওপৰত আধুনিক যুগৰ আৰম্ভণিলৈকে নৱবৈষ্ণৱ আন্দোলন তথা ভাৰতীয় সংস্কৃতিৰ প্ৰভাৱ আছিল প্ৰত্যক্ষ আৰু স্পষ্ট। ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা অসমীয়া লোক-সংস্কৃতিত পাশ্চাত্য সংস্কৃতিৰ দূৰণিবটীয়া প্ৰভাৱ আৰু বিংশ শতিকাৰ মাজভাগৰ পৰা প্ৰত্যক্ষ প্ৰভাৱ ক্ৰমাৎ পৰিস্ফুট হ'বলৈ ধৰিলে। অৱশ্যে বস্তুগতভাৱে অসমৰ গ্ৰামীণ জীৱনত ঘটা বিভিন্ন পৰিৱৰ্তন সত্বেও সাংস্কৃতিক জীৱনত সাংস্কৃতিক ঐতিহ্য তথা পৰম্পৰাৰ ধাৰা আনকি এতিয়াও প্ৰৱাহমান হৈ আছে। এতেকে, বহুসময়ত দেখা গৈছে বস্তুগত জীৱনৰ পৰিৱৰ্তনৰ প্ৰভাৱে সংস্কৃতিৰ বাহ্যিক তথা বস্তুগত ৰূপৰ পৰিৱৰ্তন ঘটায়। এতিয়া আনকি প্ৰবাসী ভাৰতীয়সকলে ইলেক্ট্ৰনিক মাধ্যমৰ অভাৱনীয় বিকাশৰ সহায়ত, ইলেক্ট্ৰনিক মাধ্যমেৰেই তেওঁবিলাকৰ পৰম্পৰাগত ভাৰতীয় ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানবোৰ উপভোগ কৰাৰ সুবিধা গ্ৰহণ কৰিছে। এনে ধৰণৰ ঘটনাবোৰে এটা কথা প্ৰমাণ কৰে যে পূবৰ প্ৰবাসী মানুহে পশ্চিমৰ সভ্যতাৰ সকলো অৱদান গ্ৰহণ কৰিও নিজৰ সাংস্কৃতিক ঐতিহ্যৰ, যাৰ লগত জীৱন-দৃষ্টিভঙ্গীৰ এক অবিচ্ছেদ্য সম্পৰ্ক আছে, প্ৰবাহ কঢ়িয়াই আনিছে।

46. **সমষ্টিগত জীৱন-পদ্ধতিয়েই লোকজীৱনৰ আধাৰ, কাৰণ—**

(A) লোক-জীৱন হ'ল সামূহিক নিয়ম, বিশ্বাস, সংস্কাৰ আৰু ধ্যান-ধাৰণাৰ অধীন।

(B) 'লোক' শব্দটো এসময়ত অশিক্ষিত, চহা মানুহক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল।

(C) লোকজীৱন হ'ল প্ৰাচীন পৰম্পৰা-অনুগামী সাধাৰণ লোকৰ সমষ্টি।

(D) লোক-জীৱনত সমষ্টিগতভাৱে কৃষিকৰ্ম কৰা হয়।

47. **যুক্তিৰ ঠাইত বিশ্বাস, তথ্যৰ ঠাইত আখ্যানে লোকসংস্কৃতিত সদায় আগস্থান লাভ কৰি আহিছে, কাৰণ—**

(A) থকা-মেলা, খোৱা-বোৱা, পিন্ধা-উৰা, আচাৰ-ব্যৱহাৰ এই সকলোবোৰকে লোকসংস্কৃতিয়ে সামৰি লৈছে।

(B) লোকসংস্কৃতিত বিশ্বাস, সংস্কাৰ, পৰম্পৰাৰ প্ৰতিফলন ঘটে।

(C) বস্তুগত সংস্কৃতিৰ ক্ষেত্ৰতো পৰম্পৰাৰ প্ৰভাৱ অলংঘনীয়।

(D) লোক-জীৱনৰ পৰম্পৰা, বিশ্বাস, সংস্কাৰ এই বিলাকেই লোকমনক নিয়ন্ত্ৰণ কৰে।

48. **লোক-সংস্কৃতিৰ ৰূপান্তৰত ভাৰতবৰ্ষত শিষ্ট সংস্কৃতিয়ে প্ৰভাৱ পেলাইছে, কাৰণ—**

(A) লোক-সংস্কৃতিয়ে সোনকালে প্ৰভাৱ গ্ৰহণ কৰে।

(B) নৱবৈষ্ণৱ আন্দোলনে লোকসংস্কৃতিৰ বস্তুগত আৰু মনোগত দুয়োটা দিশক প্ৰভাৱান্বিত কৰিছে।

(C) শিষ্ট সংস্কৃতি ধৰ্মৰ ভিত্তিত গঢ় লৈ উঠিছে।

(D) লোক-সংস্কৃতি স্বতঃস্ফূৰ্তভাৱে গঢ় লৈ উঠে।

49. **বস্তুগত জীৱনৰ পৰিৱৰ্তনৰ প্ৰভাৱে সংস্কৃতিৰ বাহ্যিক ৰূপৰ পৰিৱৰ্তন সাধন কৰে, কাৰণ—**

(A) সংস্কৃতি পৰিৱৰ্তনশীল।

(B) সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা চিৰ-প্ৰৱাহিত হৈ আহিছে।

(C) বস্তুগত জীৱনৰ পৰিৱৰ্তনৰ প্ৰভাৱে সংস্কৃতিৰ চাক্ষুষ ৰূপত প্ৰভাৱ পেলায়।

(D) ইলেকট্ৰণিক মাধ্যমৰ অভাৱনীয় বিকাশ ঘটিছে।

**50.** ‘অসমীয়া সাহিত্য চ’ৰা’ (Assamese Literary Society) স্থাপন হৈছিল।

(A) 1869 (B) 1870

(C) 1872 (D) 1875

- o 0 o -

**Space For Rough Work**